
ৰাজনীতি

‘শব্দৰ অর্থ বুজি নোপোৱা লোক’, মল্লিকার্জুন খর্গেৰ দীপাৱলীৰ শুভেচ্ছাক লৈ বিতর্কত কংগ্রেছৰ প্রত্যুত্তৰ

মল্লিকার্জুন খর্গেৰ দীপাৱলীৰ শুভেচ্ছা বার্তাক লৈ বিজেপিয়ে আপত্তি তোলাৰ পাছত কংগ্রেছে ‘ঈদ’ শব্দৰ আক্ষৰিক অর্থ উৎসৱ বুলি মন্তব্য কৰিছে।

প্রকাশ: ৯ নৱেম্বৰ ২০২৬, নিশা ৭:১৪



(SOCIAL MEDIA)

নতুন দিল্লী, ৯ নৱেম্বৰ: কংগ্রেছৰ সভাপতি মল্লিকার্জুন খর্গেৰ দীপাৱলীৰ শুভেচ্ছা বার্তাত ‘খুশিয়োঁ কা ঈদ’ শব্দ ব্যৱহাৰক লৈ বিজেপি আৰু কংগ্রেছৰ মাজত বাকযুদ্ধ আৰম্ভ হৈছে। বিজেপিয়ে খর্গেৰ মন্তব্যক লৈ আপত্তি তোলাৰ বিপৰীতে কংগ্রেছে তেওঁৰ বক্তব্যৰ সমর্থন কৰিছে।

দীপাৱলীৰ শুভেচ্ছা জনোৱাৰ সময়ত খর্গেই দীপাৱলীক ‘খুশিয়োঁ কা ঈদ’ বুলি অভিহিত কৰিছিল। ইয়াৰ পাছতে বিজেপিয়ে কংগ্রেছে ভোটবেংকৰ ৰাজনীতিৰ সৈতে উৎসৱক জড়িত কৰাৰ অভিযোগ তোলে।

বিজেপিৰ ৰাষ্ট্রীয় সংবাদ মাধ্যমৰ সহ-ভাৰপ্রাপ্ত তথা মুখপাত্র প্রদীপ ভাণ্ডাৰীয়ে কয় যে, দীপাৱলীৰ দৰে উৎসৱক ‘আনন্দৰ ঈদ’ বুলি অভিহিত কৰাটো কংগ্রেছৰ ভোটবেংকৰ ৰাজনীতিৰ নিদর্শন। তেওঁ কংগ্রেছক সনাতনবিৰোধী বুলিও সমালোচনা কৰে।

বিজেপিৰ সমালোচনাৰ প্রত্যুত্তৰত কংগ্রেছৰ সংবাদ মাধ্যম আৰু প্রচাৰ বিভাগৰ মুৰব্বী পৱন খেৰাই কয় যে,

খৰ্গেৰ বক্তব্যক লৈ বিতর্ক সৃষ্টিকাৰীসকলে ‘ঈদ’ শব্দটোৰ অর্থই বুজি পোৱা নাই। তেওঁৰ মতে, ‘ঈদ’ শব্দৰ আক্ষৰিক অর্থ হৈছে উৎসৱ।

> দীপাৱলীৰ উৎসৱৰ সময়ত সমালোচকসকলে নিজৰ চিন্তাধাৰাতো অলপ পোহৰ পেলোৱা উচিত বুলি খেৰাই কয়। তেওঁ সমালোচকসকলক ‘অশিক্ষিত’ বুলিও কটাক্ষ কৰে।

আনহাতে, বিজেপিৰ ৰাষ্ট্রীয় মুখপাত্র গৌৰৱ ভাটিয়াই প্রশ্ন তোলে যে, হিন্দুসকলৰ অন্যতম বৃহৎ উৎসৱ দীপাৱলীক নিজা নামেৰে অভিহিত কৰাত আপত্তি ক’ত। দীপাৱলী আৰু ঈদ দুয়োটাৰে নিজস্ব ধর্মীয় তাৎপর্য আৰু পৰম্পৰা আছে বুলি উল্লেখ কৰি তেওঁ ৰাহুল গান্ধী আৰু মল্লিকার্জুন খৰ্গেক ঈদক ‘আনন্দৰ দীপাৱলী’ বুলি অভিহিত কৰিবনে বুলি প্রশ্ন কৰে।

বিজেপিৰ আন এগৰাকী মুখপাত্র তুহিন সিনহায়ো কংগ্রেছক সমালোচনা কৰি কয় যে, মুছলমানসকলে বছৰত দুবাৰ ঈদ পালন কৰে, কিন্তু কংগ্রেছে প্রতিটো হিন্দু উৎসৱক ‘খুশ্বিয়োঁ কা ঈদ’ বুলি অভিহিত কৰিব বিচাৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1587/kharge-diwali-eid-bjp-congress-row-2